# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত আজি পুৱা ৭ বজাৰে পৰা লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত সামৰণি পৰিব। দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি দিনৰ ৩ বজা পৰ্যন্ত সমগ্ৰ দেশত ৫২ দশমিক ৬-০ শতাংশৰো অধিক ভোটদান সম্পন্ন হৈছে। অন্ধ্ৰ প্ৰদেশত ৫৫ শতাংশৰ অধিক, বিহাৰত ৪৫ শতাংশৰ অধিক, জন্মু-কাশ্মীৰত প্ৰায় ৩০ শতাংশ, ঝাৰখণ্ডত ৫৬ দশমিক ৪-২, মধ্যপ্ৰদেশত ৫৯ দশমিক ৬-৩, মহাৰাষ্ট্ৰত ৪২ দশমিক ৩-৫ ওড়িশাত ৫২ দশমিক ৯-১, তেলেংগানাত ৫২ দশমিক ৩-৪, উত্তৰ প্ৰদেশত ৪৮ দশমিক ৪-১ আৰু পশ্চিম বংগত ৬৬ দশমিক ০-৫ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। নিৰ্বাচন আয়োগে ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে তেলেংগানাত ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষে ভোটদানৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি ভোটগ্ৰহণ হোৱা ৯৬টা সমষ্টিৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জন্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। চতুৰ্থ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱ, কংগ্ৰেছ নেতা অধিৰৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, শত্ৰুঘ্ন সিনহা আৰু এ আই এ এমৰ আছাদুদ্দিন ওৱেছি অন্যতম।

চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ১ লাখ ৯২ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ১৯ লাখৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে।

ooooo

কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁক কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত দেশৰ চতুৰ্থ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল। সমাজত প্ৰচলিত কু-সংস্কাৰ, ডাইনী প্ৰথাৰ বিৰুদ্ধে দুই দশকৰো অধিক কাল যুঁজ দি অহা বিৰুবালা ৰাভা সমাজৰ একাংশ লোকৰ অন্যায়ৰ বলি হোৱা নিৰীহ লোকসকলৰ বাবে **সাহৰ শিখা, সকাহৰ অন্য নাম** আছিল। ১৯৫৪ চনত গোৱালপাৰা জিলাৰ ঠাকুৰভিলাত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰগতিকামী মহিলাই সমাজত প্ৰচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে

আজীৱন প্ৰচেষ্টা চলাইছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাভাৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে কৰা হ'ব বুলি প্ৰকাশ কৰিছে আৰু এই বিষয়ত সকলো দিশ তদাৰক কৰিবলৈ কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱাক দায়িত্ব প্ৰদান কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিৰুবালা ৰাভাৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি সামাজিক মাধ্যম যোগে শোকবাৰ্তা প্ৰেৰণ কৰিছে।

00000

চেণ্ট্ৰেল ব'ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ্ ইয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। চি বি এছ্ ইয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দশম শ্ৰেণীৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৯৩ দশমিক ৬-০ শতাংশ। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯৪ দশমিক ৭-৫ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰৰ উত্তীৰ্ণ হাৰ ৯২ দশমিক ৭-১ শতাংশ। চি বি এছ্ ইৰ দশম শ্ৰেণীৰ ফলাফলত উত্তীৰ্ণ হাৰ বিগত বৰ্ষতকৈ শূন্য দশমিক ৪-৮ শতাংশ বৃদ্ধি পাইছে। আনহাতে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৮৭ দশমিক ৯-৮ শতাংশ। এই হাৰ যোৱা বছৰতকৈ দশমিক ৬-৫ শতাংশ বৃদ্ধি পোৱা বুলি ব'ৰ্ডে এটা বিবৃতি যোগে জনাইছে। ২৪ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে আৰু এক লাখ ১৬ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে। পৰীক্ষাত সফলতা অৰ্জন কৰা শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, এই বৰ্ষত প্ৰায় ৩৯ লাখ ছাত্ৰ-ছাত্ৰীয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

00000

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি ইৰাণলৈ ৰাওনা হৈছে। ভাৰত আৰু ইৰাণৰ মাজত হ'বলগীয়া গুৰুত্বপূৰ্ণ চাবাহাৰ বন্দৰ চুক্তি স্বাক্ষৰত ভাগ ল'বলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকী আজি ইৰাণ অভিমুখে যাত্ৰা কৰিছে। উল্লেখযোগ্য যে এই চুক্তিয়ে ভাৰতক ইৰাণৰ ওমানত অৱস্থিত চাবাহাৰ বিমানবন্দৰ দীৰ্ঘদিনলৈ লীজত লোৱাত সহায় কৰিব। এই জলপথৰ জৰিয়তে ইৰাণ হৈ দক্ষিণ এছিয়া আৰু মধ্য এছিয়াৰ মাজত এটা নতুন বাণিজ্য পথ মুকলি কৰিব।

00000

সমাপ্ত